# 2023

## ASSAMESE

Paper : ASMHC3076

**( Introduction to Assamese Prose and Criticism )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যি কোনো ছয়টা) : ১×৬=৬

(ক) তলৰ কোনখন গ্ৰন্থ ভট্টদেৱৰ ৰচনা নহয়?

*(i)* কথা-গীতা

*(ii)* কথা-ভাগৱত

*(iii)* কথা-ৰত্নাৱলী

*(iv)* কথা-ৰামায়ণ

(খ) 'সাহিত্য আৰু প্ৰেম' গ্ৰন্থখনৰ ৰচক হ'ল

(i) মহেশ্বৰ নেওগ

(ii) হীৰেণ গোহাঁই

(iii) বাণীকান্ত কাকতি

(iv) মহেন্দ্ৰ বৰা

(গ) ঈশ্বৰ প্ৰাপ্তিৰ ঘাই বাট হ'ল

(i) এটা

(ii) দুটা

(iii) তিনিটা

(iv) চাৰিটা

(ঘ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' প্ৰবন্ধটিৰ লিখক

(i) শংকৰদেৱ

(ii) দামোদৰদেৱ

(iii) ভট্টদেৱ

(iv) মাধৱদেৱ





(ঙ) অসমীয়া চুটিগল্পৰ জনক বুলি কাক কোৱা হয়?

(i) ভবানন্দ দত্ত

(ii) নিৰ্মলপ্ৰভা বৰদলৈ

(iii) যতীন্দ্ৰনাথ দুৱৰা

(iv) লক্ষ্মীনাথ বেজবৰুৱা

(চ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠটিৰ আধাৰ-গ্ৰন্থ

(i) কথা-ৰামায়ণ

(ii) কথা-ভাগৱত

(iii) কথা-গীতা

(iv) শ্ৰীভক্তি ৰত্নাকৰ কথা

(ছ) ভাৰতীয় সংস্কৃতি কিহৰ আদৰ্শৰে জীয়াই থাকে?

(i) সমন্বয়ৰ

(ii) সংস্কৃতিৰ

(iii) শক্তিৰ

(iv) শিল্পকলাৰ

(জ) ৰুক্মিণীয়ে কাৰ হাতত শ্ৰীকৃষ্ণলৈ বাৰ্তা পঠিয়াইছিল?

(i) দয়ানিধি

(ii) বেদনিধি

(iii) সুদামা

(iv) গুণনিধি

(ঝ) কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি?

(i) আৰ্য-পূৰ্ব যুগক

(ii) নৱবৈষ্ণৱ ধৰ্মৰ যুগক

(iii) বৌদ্ধধৰ্মৰ প্ৰচাৰ যুগক

(iv) মধ্যযুগক

(ঞ) কোনখন গ্ৰন্থৰ বাবে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(i) ইয়াৰুইঙ্গম

(ii) মৃত্যুঞ্জয়

(iii) আই

(iv) ৰঙা মেঘ





২। এটা বা দুটা বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) শিৱ আৰু শক্তি পূজাৰ মূল ক'ত আৱিষ্কাৰ হৈছিল?

(খ) "হে গুৰু, তুহু পাঠ কৰহ, হামু সুনিয়ে ৰহু।।" কথাষাৰ কোনে, কাক কৈছিল?

(গ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(ঘ) এলিজা ব্ৰাউনে প্ৰকাশ কৰা দুখন গ্ৰন্থৰ নাম লিখা।

(ঙ) সাহিত্যত সংযত কৰুণ ৰস দেখুৱাওতে মহাকবিসকলে কি ব্যৱহাৰ কৰে?

(চ) গুৰু কেইপ্ৰকাৰৰ আৰু কি কি?

(ছ) প্ৰকৃত ত্যাগ কি? মনক ঈশ্বৰমুখী কৰাৰ উপায় কি?

৩। তলত দিয়া যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) অৰ্জ্জুনে যুদ্ধ নকৰিবলৈ কিয় দৃঢ় সংকল্পবদ্ধ হৈছিল, বৰ্ণনা কৰা।

(খ) "কৰুণ ৰসেই প্ৰকৃত জীৱনৰ ৰস।" কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(গ) এলিজা ব্ৰাউনৰ অসমীয়া সাহিত্যলৈ বৰঙণি সম্পৰ্কে চমুকৈ লিখা।

(ঘ) কৰ্মযোগ কাক বোলে? বৰ্ণনা কৰা।

(ঙ) "হে স্বামী কৃষ্ণ, তুহু জগতৰ পৰম ঈশ্বৰ" কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল? চমুকৈ বৰ্ণনা কৰা।

(চ) সমালোচনা সাহিত্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) 'ধৰ্ম' সম্বন্ধে 'গীতাতত্ত্ব' পাঠটিৰ আধাৰত এটি আলোচনা আগবঢ়োৱা।

(জ) সভ্যতা আৰু সংস্কৃতিৰ মাজত কোনে সম্পৰ্ক, বিচাৰ কৰা।

(ঝ) অজন্তা গুহাৰ শিল্পকলাৰ এটি বিৱৰণ দিয়া।

(ঞ) ঊনবিংশ শতিকাৰ নৱজাগৰণ সম্পৰ্কে বৰ্ণনা কৰা।

৪। তলত দিয়া যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰৰ মূল কথাখিনি আলোচনা কৰি ইয়াৰ ভাষা সম্পৰ্কে এটি টোকা লিখা।

(খ) মিছনেৰীসকলৰ গদ্যৰীতি সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(গ) এজন সুসমালোচকৰ কি কি গুণ থকা উচিত? যুক্তিনিষ্ঠ ব্যাখ্যা দাঙি ধৰা।

(ঘ) "মুক্তিলাভৰ তৃতীয় পথ যোগমাৰ্গ।" 'গীতাতত্ত্ব' পাঠটিৰ আধাৰত বিতংকৈ আলোচনা কৰা।





৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া : ১৪

(ক) মোগল যুগত ভাৰতীয় চিত্ৰকলাৰ ক্ষেত্ৰত কোন ধৰণৰ নতুনত্বই সমৃদ্ধ কৰিছিল তাৰ এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি ভট্টদেৱক কিয় কোৱা হয়? ভট্টদেৱৰ কথা-গীতাৰ আধাৰত তেওঁৰ গদ্যৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(গ) 'সাহিত্যত করুণ ৰস' পাঠটিৰ আধাৰত করুণ ৰসৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

★ ★ ★